# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-NOV-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

সমগ্ৰ দেশে আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে। অসমতো আজি জনজাতি পৰিক্ৰমা বিভাগৰ সৌজন্যত **গোৱালপাৰা** জিলা প্ৰশাসন আৰু ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ সহযোগত দুধনৈৰ আমজোঙ্গাত জনজাতীয় গৌৰৱ দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা উপস্থিত থাকে। অনুষ্ঠানত গুজৰাটত কেন্দ্ৰীয় চৰকাৰে পালন কৰা জনজাতীয় গৌৰৱ দিৱসৰ প্ৰধানমন্ত্ৰীৰ ভাষণ পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়। আজিৰ অনুষ্ঠানত মন্ত্ৰী ডাঃ পেগুৱে জিলাখনৰ আমজুঙাত ৭ কোটি ২৪ লাখৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা প্ৰকল্প সঞ্চালক, সমন্বিত জনজাতীয় উন্নয়ন প্ৰকল্প আৰু মহকুমা কল্যান বিষয়াৰ কাৰ্যালয় উদ্বোধন কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়।

*(বাইট)*

**তামুলপুৰ জিলাত** বীৰচা মুণ্ডাৰ জয়ন্তী উপলক্ষে জিলা প্ৰশাসনৰ উদ্যোগত খাটৰবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত জনজাতীয় গৌৰৱ দিৱস পালন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত বড়ো জনগোষ্ঠীৰ আৰজ কৰাৰ পাছত বিৰচা মুণ্ডা আৰু ছহিদ মনেশ্বৰ বসুমতাৰীৰ প্ৰতিচ্ছবিত পুস্পাৰ্ঘ্য তৰ্পন কৰা হয়। ইয়াৰ পাছতে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত বিভিন্ন জনগোষ্ঠীয় কৃষ্টি প্ৰদৰ্শন কৰা হয়।

**গোলাঘাট** জিলাৰ পুলিবাগান অঞ্চলৰ মুৰংঘৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত সাংস্কৃতিক শোভাযাত্ৰাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ উপস্থিত থাকে।

০০০০০

অসমৰ চহকী ইতিহাস সমৃদ্ধ বৃন্দাৱনী বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত আলোচনাৰ বাবে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা লণ্ডনলৈ ৰাওনা হৈছে। লণ্ডনৰ সংগ্ৰহালয়ত থকা এই আপুৰুগীয়া বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত ইতিমধ্যে ইংলেণ্ডৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছিল। এই অনুসৰি এই বস্ত্ৰভাগ গুৱাহাটীলৈ আনি খানাপাৰাত সংগ্ৰহালয়ত বিশেষভাৱে সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হ'ব আৰু ইয়াৰ বাবে ভূমিও আৱণ্টন দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। কাইলৈ লণ্ডনৰ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ হব বুলি মুখ্যমন্ত্ৰীয়ে আজি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এন এছ এছ কোষে লৌহ মানৱ চৰ্দাৰ বল্লৱভাই পেটেলৰ জয়ন্তী উপলক্ষে আজি আজাৰাৰ ঠাকুৰনি গাঁৱত গছপুলি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰে। বিশ্ববিদ্যালয়খনৰ ছাত্ৰ কল্যাণ সঞ্চালক ড০ ৰঞ্জন

কুমাৰ কাকতিয়ে এটি নাহৰৰ পুলি ৰোপণেৰে এই কাৰ্যসূচী উদ্বোধন কৰি ছাত্ৰ-ছাত্ৰী তথা গাঁৱৰ ৰাইজক গোলকীয় উত্তাপ বৃদ্ধি ৰোধৰ ক্ষেত্ৰত গছ-গছনিৰ অৱদান বিষয়ক ভাষণ আগবঢ়ায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদতো শতাধিক গছপুলি ৰোপণ কৰা হয়।

ooooo

দিল্লী বোমা বিস্ফোৰণ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত ধুবুৰী জিলাৰ বিলাসীপাৰা আৰক্ষীয়ে যোৱা নিশা এজন যুৱকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ সূত্ৰই জানিবলৈ দিয়া মতে বিলাসীপাৰা থানাৰ আৰক্ষীৰ এটা দলে হাতীপোটা প্ৰথমখণ্ড গাঁৱৰ আজিজুৰ ৰহমান নামৰ যুৱকজনক গ্ৰেপ্তাৰ কৰি তদন্ত আৰম্ভ কৰিছে।

ooooo

গোৱালপাৰা জিলাৰ চটিপাৰাত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গাৰো জনগোষ্ঠীয় লোকসকলৰ ৱাংগালা উৎসৱ অনুষ্ঠিত হৈছে। গাৰো সাংস্কৃতিক সংঘৰ উদ্যোগত আৰু গাৰো ছাত্ৰ সন্থা অসম মণ্ডলৰ সহযোগত আয়োজিত এই উৎসৱৰ আজি সামৰণি পৰিব। আজি অন্তিম দিনা মেঘালয়ৰ জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী মাৰ্কুইছ এণ্ড মাৰাক উপস্থিত থাকি মহোৎসৱ উপভোগ কৰে। এই মহোৎসৱত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে মেঘালয়ৰ নৃত্য শিল্পীৰ দলে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে গাৰো জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য গীতসমূহ নৱ প্ৰজন্মৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে গাৰো ছাত্ৰ সন্থা আৰু গাৰো সংস্কৃতি সংঘই এই উৎসৱৰ আয়োজন কৰি আহিছে।

ooooo

ৰাজ্যত বিধানসভা নিৰ্বাচনলৈ কেইমাহমানহে বাকী। বিদ্যালয়-মহাবিদ্যালয়সমূহৰো চূড়ান্ত পৰীক্ষা সমাগত। বৰ্তমান বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰো বতৰ। এই সময়ছোৱাত ৰাজনীতিক, পৰীক্ষাৰ্থী, অভিভাৱকে ধৰি বিভিন্ন শ্ৰেণীৰ লোকৰ মানসিক চাপ বৃদ্ধি পায়। এই মানসিক চাপ কেনেদৰে নিয়ন্ত্ৰণত ৰাখিব পাৰি, সেই বিষয়ে আজি নিশা ৮ বাজি দুই মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। ৰাজ্যখনৰ এগৰাকী বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ডঃ জয়ন্ত দাসে ষ্টুডিঅ'ত থাকি বিভিন্ন প্ৰশ্নকৰ্তাই টেলিফোনযোগে উত্থাপন কৰা সমস্যাৰ নিদান দিব। এই অনুষ্ঠানটোৰ পৰিকল্পনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু উপস্থাপন অৰুণিমা গোস্বামীৰ।

ooooo

সমাপ্ত